# আফগানিস্তানৰ ৰাষ্ট্ৰপতিৰ ডিচেম্বৰ ১২ ৰ পৰা ১৫ তাৰিখ ২০১৩ লৈ ভাৰত ভ্ৰমণ ।

ডিচেম্বৰ ১৪,২০১৩

ভাৰত চৰকাৰৰ আমন্ত্ৰন ক্ৰমে ইছলামিক গণন্ত্ৰতিক আফগানিস্তানৰ ৰাষ্ট্ৰপতি মহামান্য হামিদ কাৰজাইয়ে ১২ ৰ পৰা ১৫ ডিচেম্বৰ ২০১৩ লৈ ভাৰতলৈ কাৰ্য্যকৰী ভ্ৰমণত আহে।তেওঁৰ দিল্লী ভ্ৰমণ কালত ৰাষ্ট্ৰপতি হামিদ কাৰজাইয়ে ভাৰতৰ ৰাষ্ট্ৰপতি মহামান্য প্ৰণৱ মূখাৰ্জী আৰু ভাৰতৰ প্ৰধান মন্ত্ৰী মনমোহন সিঙক সাক্ষাৎ কৰে ।কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰী চালমান খুৰছিদ আৰু ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা শিৱ শংকৰ মেননে ৰাষ্ট্ৰপতি হামিদ কাৰজাইক সাক্ষাৎ কৰে ।

প্ৰধান মন্ত্ৰী মনমোহন সিঙ আৰু ৰাষ্ট্ৰপতি হামিদ কাৰজাইৰ দ্বিপাক্ষিক বৈঠক কালত প্ৰধান মন্ত্ৰী মন মোহন সিঙে ভাৰত আৰু আফগানিস্তানৰ মাজৰ শক্তিশালি আৰু বহুল ভিত্তিৰ কৌশলগত অংশীদাৰিত্বৰ বাবে আনন্দ প্ৰকাশ কৰে ।তাৰোপৰি তেওঁলোকে আঞ্চলিক আৰু আন্তৰ্জাতিক পৰিস্থিতি সম্পৰ্কে মত বিনিময় কৰে ।

দুয়োগৰাকী  নেতাই দ্বিপাক্ষীক পৰ্য্যায়ৰ বিষয়সমুহ সম্বন্ধে বিশেষকৈ কৌশলগত অংশীদাৰিত্ব চুক্তিৰ ৰূপায়নত  হোৱা প্ৰগতি সন্দৰ্ভত অতি উষ্মতাৰে আৰু সন্তোষ্টিৰে আলোচনাত মিলিত হয় ।

আফগানিস্তানত বৰ্তমান চলি থকা নিৰাপত্তা বিষয়ক আদান-প্ৰদান আৰু আন দেশ সমুহৰ সৈতে আফগানিস্তানৰ সম্পৰ্ককে সামৰি ৰাষ্ট্ৰপতি কাৰজাইয়ে আফগানিস্তানৰ ৰাজনৈতিক,নিৰাপত্তা বিষয়ক আৰু অৰ্থনৈতিক

পৰিস্থিতি সম্বন্ধে প্ৰধান মন্ত্ৰীক জানিবলৈ দিয়ে ।আঞ্চলিক শান্তি আৰু প্ৰগতিত অৱদান যোগাব পৰা আৰু শক্তিশালি,ঐক্যতা,স্থিৰতা,শান্তি স্থাপন কৰিব পৰা আৰু উন্নয়নমুলক আফগানিস্তান গঢ়ি তোলাৰ যোগ্যতা আফগানিস্তানৰ জনসাধাৰন আৰু চৰকাৰে বহন কৰাৰ বিষয়ে ভাৰতৰ দৃঢ় বিশ্বাস আছে বুলি প্ৰধান মন্ত্ৰীয়ে তেওঁক অৱগত কৰায় । সমগ্ৰ আদান-প্ৰদান সম্বন্ধীয় বিষয়ৰ উপৰিও আন ক্ষেত্ৰটো ভাৰতে আফগানিস্তানক সহযোগ কৰাৰ প্ৰতিশ্ৰুতিক তেওঁ পুনৰ দোহাৰে । সমগ্ৰ এছিয়াৰ কেন্দ্ৰীয় প্ৰক্ৰিয়াক সামৰি আঞ্চলিক ঐক্যতা আৰু উন্নয়নৰ লক্ষ্যৰে আৰু অধিক আঞ্চলিক সহযোগিতা বৃদ্ধিৰ হকে কাম কৰি যাবলৈ দুয়োগৰাকী নেতাই ঐক্যমত প্ৰদান কৰে । ১৭ জানুৱাৰি ২০১৪ তাৰিখত কেন্দ্ৰীয় এছিয়াৰ বিষয়া সকলৰ পৰৱৰ্তী বৈঠক ভাৰতে আয়োজন কৰিব বুলিও বৈঠকত উল্লেখ কৰা হয় ।

তেওঁলোকৰ কৌশলগত অংশীদাৰিত্ব চুক্তি অনুসৰি অফগানিস্তানৰ প্ৰতি তেওঁলোকৰ নেৰানেপেৰা অংশীদাৰিত্বৰ বাবে থকা লক্ষ্য আৰু অঞ্চলটোত শান্তিস্থাপনৰ অৰ্থে আৰু সুৰক্ষা ক্ষেত্ৰত প্ৰধান মন্ত্ৰী আৰু ৰাষ্ট্ৰপতি কাৰজায়ে সমগ্ৰ বিষয়বোৰত তেওঁলোকৰ অংশীদাৰিত্ব আৰু অধিক কটকটিয়া কৰাৰ বাবে তেওঁলোকৰ প্ৰতিশ্ৰুতিৰ সম্বন্ধে আৰু অধিক দৃঢ়তা প্ৰকাশ কৰিছে ।ভাৰতে প্ৰচাৰৰ জৰিয়তে বাণিজ্যিক সম্পৰ্ক স্থাপনৰ যোগেদি, শিক্ষা বিষয়ক মাননি আগবঢ়াই আৰু ভাৰতৰ সহযোগিতা থকা উন্নয়নমুলক আৰু পুণৰগঠনৰ প্ৰকল্প সমুহৰ কাৰ্য্যকৰী কৰাৰ লগতে আফগানিস্তানৰ সকলো ধৰনৰ আৰ্থ-সামাজিক উন্নয়নত সদায় সহযোগিতা আগবঢ়োৱা সম্বন্ধে প্ৰধানমন্ত্ৰীয়ে অৱগত কৰে। আফগানিস্তান আৰু তাৰ সিপাৰলৈ বাণিজ্য আৰু আদান-প্ৰদানৰ সুবিধাৰ বাবে নতুন

বাণিজ্যিক পথ উন্নয়নৰ অৰ্থে গণন্ত্ৰাতিক ইছলামিক ইৰানৰ সৈতে কাম কৰিবলৈ দুয়োগৰাকী নেতা একমত হয় ।

আফগানিস্তানৰ ৰাষ্ট্ৰীয় সুৰক্ষা আৰু সামৰিক বাহিনীৰ অভিযানৰ যোগ্যতা আৰু ভ্ৰমন যোগ্যতা বৃদ্ধি কৰিব পৰাকৈ প্ৰশিক্ষন বৃদ্ধিৰ মাজেৰে আৰু অস্ত্ৰ-শস্ত্ৰ আৰু আন্ত:গাঠনিৰ প্ৰয়োজনিয়তা সম্প্ৰসাৰনৰ যোগেদি দুয়োগৰাকী নেতাই সামৰিক আৰু নিৰাপত্তা সহযোগিতা আৰু দৃঢ় কৰাৰ বাবে ঐক্যমত হয় ।ভাৰতত আফগান বিষয়া সকলৰ বাবে উচ্চ সেনা শিক্ষাৰ সুযোগ সম্প্ৰসাৰন কৰাৰ ক্ষেত্ৰতো দুয়োগৰাকী নেতা একমত হয় ।

আফগানিস্তানত ভাৰতীয় অভিযানক আৰু বিষয়া সকলক সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত আফগানিস্তান চৰকাৰে আগবঢ়োৱা সমৰ্থনৰ বাবে প্ৰধান মন্ত্ৰীয়ে ৰাষ্ট্ৰপতি হামিদ কাৰজাইক ধন্যবাদ জ্ঞাপন কৰে ।২০১৩ৰ আগষ্ট মাহত ভাৰতীয় দূতাবাসৰ সন্মুখত সংঘটিত আত্মঘাটি আক্ৰমনক সমুলি বিফল কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে আফগান সুৰক্ষা বাহিনীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে ।দুযোখন দেশকেই হানি কৰা আৰু সমগ্ৰ অঞ্চলটোতেই আশংকাৰ সৃষ্টি কৰা সন্ত্ৰসবাদ আৰু উগ্ৰবাদৰ বিৰুদ্ধে যুঁজিবলৈ দুয়োখন দেশে তথা আন্তৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ সৈতে একেলগে কাম কৰি যাব বুলি দুয়োগৰাকী নেতাই পুনৰ দোহাৰে ।

ৰাষ্ট্ৰপতি প্ৰনৱ মূখাৰ্জীয়ে ৰাষ্ট্ৰপতি হামিদ কাৰজাইক এক ব্যক্তিগত নৈশ ভোজমেলেৰে অপ্যায়িত কৰে ।নৈশভোজ মেলৰ সময়ত দুয়োগৰাকী নেতাই দ্বিপাক্ষীক বিষয়সমুহ আৰু একে ধৰনে গুৰুত্ব পোৱা আঞ্চলিক আৰু আন্তৰ্জাতিক বিষয়সমুহ আলোচনা কৰে ।ৰাষ্ট্ৰপতি মুখাৰ্জীয়ে জাৰানি-ডেলাৰাম পথ উদ্বোধন কৰাৰ বাবে আফগানিস্তান ভ্ৰমনলৈ যোৱা সময়ক অতি আনন্দৰে সোঁৱৰে । ৰাষ্ট্ৰপতি কাৰজাইয়ে ৰাষ্ট্ৰপতি মুখাৰ্জীক আফগানিস্তান ভ্ৰমনৰ বাবে আমন্ত্ৰন আগবঢ়াই ।

কাৰ্য্যকৰী বিদেশ মন্ত্ৰী শ্ৰী জাৰাৰ আহমেদ ওচমানি,ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা ড.ৰাংগিন দাদফাৰ স্পানটা,বাণিজ্য আৰু উদ্যোগৰ কাৰ্য্যকৰী মন্ত্ৰী শ্ৰী শ্বেকেৰ কাৰগাৰ আৰু অন্যান্য বৰিষ্ঠ বিষয়াৰ এটা উচ্চ স্তৰীয় প্ৰতিনিধি দলে ৰাষ্ট্ৰপতি কাৰজাইক ভাৰত ভ্ৰমন কালত সহযোগিতা কৰে ।

নতুন দিল্লী

১৪ ডিচেম্বৰ ২০১৩